# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 02-12-2024

**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::: ::::::: :::::::: ::::::::**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ৰাজ্যত চলি থকা বিভিন্ন উন্নয়নমূলক কাৰ্যসূচী সন্দৰ্ভত বৈঠকত অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত ৰাজ্যত হ'বলগীয়া অসম বিনিয়োগকাৰী আৰু আন্তঃগাথনি সন্মিলনৰ লগতে ঝুমুৰ নৃত্য প্ৰদৰ্শন অনুষ্ঠানলৈ প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীৰ এই আমন্ত্ৰণ গ্ৰহণ কৰি শ্ৰীমোদীয়ে অনুষ্ঠানত উপস্থিত থকাৰ প্ৰতিশ্ৰুতি দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে দিল্লীত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলক সাক্ষাৎ কৰি ৰাজ্যত ৰূপায়ণ হৈ থকা জলজীৱন মিছন  আঁচনি সন্দৰ্ভত আলোচনা কৰে।

০০০০

সমগ্ৰ অসমত কাইলৈৰ পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। ২০২২ বৰ্ষৰ পৰা বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হিত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। এই উৎসৱৰ সময়ছোৱাত ৰাজ্যৰ প্ৰায় এহেজাৰ ছশ স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব।

**কামৰূপ** মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰ, **মাজুলীত** ১৬ টা স্বাস্থ্য কেন্দ্ৰ, **শিৱসাগৰ**ৰ ৪৫ খন চিকিৎসালয়, **তিনিচুকীয়া**ৰ ১৭ খন চিকিৎসালয় আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠান, **গোলাঘাট** জিলাৰ ৭১ খন চৰকাৰী চিকিৎসালয়, **চৰাইদেউ** জিলাৰ ৩৮ খন চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। একেদৰে **লখিমপুৰ** জিলাত ৫২ খন চিকিৎসালয়, **বঙাইগাওঁ** জিলাৰ ২৯ খন স্বাস্থ্যকেন্দ্ৰ, **ওদালগুৰি** জিলাৰ ৫০ খন চিকিৎসালয়, **নলবাৰী** জিলাৰ ৫৮ খন চিকিৎসালয় আৰু **দক্ষিণ শালমাৰা মানকাছৰ** জিলাৰ হাতশিঙিমাৰীত ১৭ টা স্বাস্থ্যকেন্দ্ৰত এই কাৰ্যসূচী ৰূপায়ণ কৰা হব।

০০০০

নলবাৰীৰ পাগলাদিয়া নৈৰ পাৰৰ ডিংডিঙি গাওঁৰ ঘাটোৱাল বাছিৰাম দাসক আজি বৰভাগ গৌৰৱ বঁটা প্ৰদান কৰা হয়। বৰভাগ প্ৰেছ ক্লাবৰ  বাৰ্ষিক অধিবেশনৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এটা অনুষ্ঠানত অঞ্চলটোৰ আন দুগৰাকী শিল্পী ভোলা তালুকদাৰ আৰু প্ৰমোদ কাকতিকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

০০০০

নগাওঁ জিলাৰ গড়াজানত সংঘটিত হত্যাকাণ্ডৰ ঘটনা সন্দৰ্ভত জিলা আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই আজি এখন সংবাদমেল সম্বোধন কৰে। ঘটনা সন্দৰ্ভত ভাস্কৰজ্যোতি সৰকাৰৰ গোচৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত অব্যাহত ৰখা বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, যোৱা ২২ নৱেম্বৰৰ নিশা গড়াজানত গুণধৰ সৰকাৰ, তেওঁৰ পত্নী সুৰোধনী সৰকাৰ আৰু কন্যা জয়স্মীতা সৰকাৰক অনুধৰ সূত্ৰধৰে হত্যা কৰাৰ অভিযোগ উত্থাপিত হৈছিল।

০০০০

চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা সাম্প্ৰদায়িক হিংসাৰ প্ৰতিবাদত লোক জাগৰণ মঞ্চ অসমৰ ধুবুৰী জিলা সমিতিৰ উদ্যোগত কাইলৈ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত  এখন প্ৰতিবাদী সভা অনুষ্ঠিত কৰাৰ লগতে ধৰ্ণা কাৰ্যসূচী পালন কৰা হ'ব। এই খেলপথাৰৰ পৰাই জিলা উপায়ুক্তৰ কাৰ্যালয়লৈ এটা প্ৰতিবাদী সমদল উলিওৱা হ'ব। উল্লেখযোগ্য যে, বাংলাদেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ বিৰুদ্ধে লোক জাগৰণ মঞ্চই সমগ্ৰ দেশতে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে।

০০০০

ৰাজ্যিক ক্ৰীড়া একাডেমী অসমে পুৰুষৰ আৰু গুৱাহাটী সাই কেন্দ্ৰৰ মহিলা দলে ৪৪ সংখ্যক সদৌ অসম চিনিয়ৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰিছে। অসম বক্সিং সন্থাৰ উদ্যোগত গুৱাহাটীৰ পলটন বজাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ কেন্দ্ৰত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ আজি সামৰণি পৰে। আজিৰ সামৰণি অনুষ্ঠানত অলিম্পিক পদক বিজয়ী লাভলীনা বৰগোহাই, বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ পদক জয়ী যমুনা বড়ো, ভাৰতীয় বক্সিং ফেডাৰেশ্বনৰ সচিব প্ৰধান তথা অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতাৰ লগতে গণ্য মান্য ব্যক্তিসকল উপস্থিত থাকে। এই প্ৰতিযোগিতাৰ পৰাই জানুৱাৰীত হ'বলগীয়া এলিট ৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ অসমৰ পুৰুষ আৰু মহিলাৰ দল বাচনি কৰা হ'ব।

০০০০

গুৱাহাটীৰ ডাউন-টাউন স্কুলৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অয়োধনা দ্ৰুত দবা প্ৰতিযোগিতাত শীৰ্ষ বাছনিৰ নীতিশ দাসে খিতাপ অৰ্জন কৰে। একেটা শাখাতে অৰ্ণৱ ফুকনে  দ্বিতীয় স্থান আৰু প্ৰকাশ নাথে তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাখনত ৪ পইণ্ট লাভ কৰা আকাংক্ষা কলিতাক শ্ৰেষ্ঠ ছোৱালীৰ খেলুৱৈ হিচাপে ঘোষণা কৰা হয়। ৭ বছৰ অনূৰ্ধৰ শাখাত  ৰিয়ান নবিছে প্ৰথম স্থান দখল কৰে। ৯ বছৰ অনূৰ্ধৰ শাখাত শ্ৰাৱস্ত শৰ্মাই প্ৰথম স্থান লাভ কৰে। ১১ বছৰ অনূৰ্ধৰ শাখাত কিশোৰ দাসে, ১৩ বছৰ অনূৰ্ধৰ শাখাত চাহাজ গুপ্তা আৰু ১৫ বছৰ অনূৰ্ধৰ শাখাত শুভাং কাশ্যপে প্ৰথম স্থান লাভ কৰে। প্ৰতিযোগিতাখনত মুঠ ১০০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে।

০০০০

গুৱাহাটী মাষ্টাৰ্ছ হাণ্ড্ৰেদ ২০২৪ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতা কাইলৈৰ পৰা গুৱাহাটীৰ সৰুসজাইৰ নবীন চন্দ্ৰ বৰদলৈ ইন্দোৰ ষ্টেডিয়ামত আৰম্ভ হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ উদ্দেশ্যে ইতিমধ্যে বিশ্বৰ ২৩ খন দেশৰ পুৰুষ আৰু মহিলা শ্বাটলাৰসকল গুৱাহাটীত উপস্থিত হৈছে। এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে চীন আৰু জাপানৰ খেলুৱৈ অংশগ্ৰহণ কৰিব। অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰচিদে প্ৰকাশ কৰা অনুসৰি আয়োজক ভাৰতৰ পাছতে চীনৰ ৩২ জনীয়া দলটো প্ৰতিযোগিতাৰ সৰ্ববৃহৎ দল। প্ৰতিযোগিতাখনত ভাৰতীয় দলৰ হৈ অসমৰ

ইশাৰাণী বৰুৱা, সুৰজ গোৱালা আৰু অৰিজিত চলিহাই কোৱালিফাইং মেচ খেলিব। প্ৰতিযোগিতাখনত পুৰুষ আৰু মহিলাৰ একক তথা ডাবলছৰ লগতে মিক্সড ডাবলছ শাখাতো খেল অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত ৪৬১ গৰাকী খেলুৱৈয়ে অংশ লব। অহা ৮ ডিচেম্বৰত প্ৰতিযোগিতাৰ অন্ত পৰিব।

০০০০

ওদালগুৰি জিলাৰ ওৰাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক দুৰ্গেশ্বৰ শইকীয়াৰ আজি বিয়লি মৃত্যু হয়। দীৰ্ঘদিন ধৰি বৃক্ক ৰোগত আক্ৰান্ত হৈ থকা প্ৰয়াত শইকীয়াৰ মৃত্যুৰ সময়ত বয়স আছিল ৬৫ বছৰ। শিক্ষকতাৰ উপৰি বিভিন্ন সামাজিক অনুষ্ঠান, দল সংগঠনৰ লগত তেওঁ জড়িত আছিল।

০০০০

সমাপ্ত